# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 23-MAY-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
-------------------

১। মাউণ্ট এভাৰেষ্ট শৃংগ আৰোহণ কৰা প্ৰথম অসমীয়া মহিলা হিচাপে লখিমপুৰৰ ৰূপামণি গড়ৰ ইতিহাস ৰচনা।

২। ৰাজ্যত অম্রুট আঁচনিৰ দ্বিতীয় পৰ্যায়ত প্ৰায় ৮৬১ কোটি টকা বিনিয়োগেৰে ৫৮ টা প্ৰকল্পৰ কাম আৰম্ভ।

৩। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নতুন দিল্লীত কেন্দ্ৰীয় বিত্তমন্ত্ৰীক সাক্ষাৎ। ৰাজ্যৰ সামগ্ৰিক উন্নয়নৰ বিষয়ে আলোচনা।

৪। এখন বিকশিত, আত্ম-নিৰ্ভৰ আৰু সমৃদ্ধিশালী ভাৰত গঢ়াত অৰিহণা যোগাবলৈ নিযুক্তি মেলাত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ আহ্বান। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ আৰু পঞ্জাৱ কিংছৰ খেল।

ooooo

লখিমপুৰৰ ৰূপামণি গড়ে বিশ্বৰ সৰ্বোচ্চ শৃংগ মাউণ্ট এভাৰেষ্ট আৰোহণ কৰি ৰাজ্যৰ লগতে দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে। এভাৰেষ্ট জয়ৰ এই অভিযানটোৰ উদ্যোক্তাসকলে জনোৱা মতে অসমৰ ভনিতা টিমুংপিৰ নেতৃত্বত যোৱা ভাৰত তিববতীয় সীমান্ত আৰক্ষী বাহিনীৰ দলটোৱে বৃহস্পতিবাৰৰ পুৱা ৮ বজাৰ পৰা এভাৰেষ্ট শিখৰলৈ অভিযান আৰম্ভ কৰিছিল। দলটোত অনুপ কুমাৰ, পদ্ম টুণ্ডুত, কপিল দেৱ, ষ্টেনজিন কৰল আদি কেইবাজনো ভাৰতীয় পৰ্বতাৰোহী সদস্য আছিল। ৰূপামণি গড়ৰ এই সফলতাত তেওঁৰ গৃহজিলাত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। ভগ্নীৰ এই সফলতাৰ মুহূৰ্তত তেওঁৰ ভাতৃয়ে এইদৰে কয়–

**বাইট**

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এভাৰেষ্ট শৃংগত আৰোহণ কৰা প্ৰথমগৰাকী মহিলা পৰ্বতাৰোহী হোৱাৰ কৃতিত্ব অৰ্জন কৰা ৰূপামণি গড়লৈ আৰু দলটোক নেতৃত্বত দিয়া ভনিতা টিমুংপিলৈ অভিনন্দন জ্ঞাপন কৰিছে। দুয়োগৰাকীৰ এই সাফল্যই অসমৰ নতুন প্ৰজন্মৰ বাবে প্ৰেৰণা হৈ ৰ'ব বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰিছে।

ooooo

ৰাজ্য চৰকাৰে অম্রুট আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ অধীনত নগৰাঞ্চলৰ উন্নয়নৰ বাবে ৮৬১ কোটিৰো অধিক টকা বিনিয়োগেৰে ৫৮ টা প্ৰকল্পৰ কাম আৰম্ভ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰি কয়, যে ৰাজ্যৰ নগৰ-চহৰসমূহৰ দৈনন্দিন জীৱন উন্নত কৰাৰ উদ্দেশ্যে ৰূপায়ণ কৰা এই প্ৰকল্পসমূহৰ জৰিয়তে উন্নত পানী যোগান, ক্ৰয় প্ৰণালী আৰু গুৰুত্বপূৰ্ণ জলাশয়সমূহৰ পুনৰুজ্জীৱিতকৰণত গুৰুত্ব আৰোপ কৰা হৈছে। এই প্ৰকল্পসমূহে ৰাজ্যৰ হাজাৰ হাজাৰ পৰিয়ালক বিশুদ্ধ খোৱাপানী আৰু উন্নত অনাময় সুবিধা লাভ কৰাত সহায় কৰিব। শক্তিশালী নগৰীয়া আন্তঃগাঁথনি গঢ়ি তুলি নৰাঞ্চলৰ উন্নয়ন ত্বৰান্বিত কৰাৰ উদ্দেশ্যে অম্রুত আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ পৰিকল্পনা কৰা হৈছে। এই আঁচনিৰ অধীনত জনসাধাৰণৰ জীৱন ধাৰণ উন্নত কৰা আৰু

নগৰাঞ্চলৰ সুবিধাৰ আধুনিকীকৰণৰ বাবে বিভিন্ন চহৰত কাম কৰা হ'ব। ইয়াৰ উপৰি পুখুৰী আৰু জলাশয়সমূহৰ পুনৰুজ্জীৱিতকৰণত গুৰুত্ব আৰোপ কৰা হ'ব।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণক সাক্ষাৎ কৰে আৰু বিগত সময়ছোৱাত ৰাজ্যৰ সামগ্ৰিক উন্নয়ন যাত্ৰাত আগবঢ়োৱা সহযোগিতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। বৈঠকত ড০ শৰ্মাই কেন্দ্ৰীয় উন্নত অসম গঢ়াৰ লক্ষ্যৰে আন্তঃগাঁথনি বিনিয়োগ, উদ্যোগ আৰু জনকল্যাণ শক্তিশালী কৰাৰ দিশত ভৱিষ্যতৰ পৰিকল্পনা সম্পৰ্কে বিত্তমন্ত্ৰীগৰাকীৰ সৈতে বিশদভাৱে আলোচনা কৰে।

০০০০০

বিধান সভাৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসে দখলকাৰীৰ বিৰুদ্ধে কঠোৰ আইনৰ পোষকতা কৰিছে। ষোড়শ অসম বিধান সভাৰ অধ্যক্ষ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত আজি সপত্নীক বৰপেটা সত্ৰত সেৱা লৈ শ্ৰী দাসে কয়, যে সত্ৰৰ ভূমি যি সকলে দখল কৰি আছে তেওঁলোক নিজে সেই স্থানৰ পৰা আঁতৰি যোৱা উচিত, অন্যথা চৰকাৰে ব্যৱস্থা ল'বলৈ বাধ্য হ'ব।

**-বাইট (ৰঞ্জিত দাস)-**

অনাগত সময়ত বৰপেটা সমষ্টিৰ বিধায়ক দীপক কুমাৰ দাসৰ সৈতে মিলি বৰপেটাৰ উন্নয়নত মনোনিৱেশ কৰিব বুলি অধ্যক্ষগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

দেশত সামগ্ৰিকভাৱে পেট্ৰ'ল আৰু ডিজেলৰ নাটনি হোৱা নাই বুলি ইণ্ডিয়ান অইলে পুনৰ আশ্বাস দিছে। তেল বিপণন কোম্পানীটোৱে এটা বিবৃতিযোগে কেতবোৰ নিৰ্দিষ্ট খণ্ডত চাহিদা বৃদ্ধিৰ বাবে একাংশ খুচুৰা বিপণন কেন্দ্ৰত দেখা দিয়া চাহিদা যোগানৰ ভাৰসাম্যহীনতা সাময়িক আৰু অস্থায়ী বুলি অভিহিত কৰিছে। দেশৰ বিভিন্ন প্ৰান্তত থকা অইল ইণ্ডিয়াৰ ৪২ হাজাৰৰো অধিক খুচুৰা বিপণন কেন্দ্ৰৰ ভিতৰত সীমিত সংখ্যক কেন্দ্ৰতহে এনে হোৱা দেখা হৈছে বুলি কোম্পানীটোৱে স্পষ্ট কৰি দিছে।

ইণ্ডিয়ান অইলে প্ৰকাশ কৰা মতে, পহিলা মে'ৰ পৰা ২২ মে'লৈ কোম্পানীটোৰ ইন্ধন বিক্ৰীৰ পৰিমাণ চকুত লগা ধৰণে বৃদ্ধি পাইছে। এই সময়ছোৱাত পেট্ৰ'লৰ বিক্ৰী ১৪ শতাংশ আৰু ডিজেলৰ বিক্ৰী প্ৰায় ১৮ শতাংশ বৃদ্ধি পাইছে।

০০০০০

চৰকাৰী চাকৰি জনসাধাৰণৰ জীৱন-ধাৰণ উন্নত আৰু সুগম কৰাৰ গুৰুত্বপূৰ্ণ মাধ্যম বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। ভি ডি অ' কনফাৰেন্সিং ব্যৱস্থাৰে ঊনবিংশ নিযুক্তি মেলাত ভাষণ দি প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি এইদৰে মন্তব্য কৰে। তেওঁ কয়, যে ৰাষ্ট্ৰই কৰ্মযোগীসকলৰ প্ৰতি আস্থা প্ৰকাশ কৰিছে আৰু এতিয়া নিষ্ঠা, আচৰণ তথা দৈনন্দিন কাম-কাজেৰে এই আস্থাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাটো তেওঁলোকৰ দায়িত্ব।

শ্ৰীমোদীয়ে কয়, যে সমগ্ৰ বিশ্বই দেশৰ উন্নয়ন যাত্ৰাৰ অংশ হ'বলৈ আগ্ৰহেৰে বাট চাই আছে। তেওঁ কয়, যে ভাৰতে সুযোগ, কৰ্ম-সংস্থাপন আৰু দেশৰ যুৱ প্ৰজন্মক গোলকীয় অভিজ্ঞতা প্ৰদানৰ উদ্দেশ্যে বিভিন্ন দেশৰ সৈতে সহযোগিতা গঢ়ি তুলিছে। ভাৰত বিশ্বৰ নিৰ্ভৰযোগ্য যোগান শৃংখলা সহযোগী হৈ উঠা বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে। দেশৰ ৪৭ টা স্থানত আয়োজিত নিযুক্তি মেলাৰ অধীনত আজি ৫১ হাজাৰৰো অধিক প্ৰাৰ্থীৰ মাজত নিযুক্তিপত্ৰ বিতৰণ কৰা হয়।

গুৱাহাটীৰ মালিগাঁৱত আয়োজিত নিযুক্তি মেলাত কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অসমৰ প্ৰাৰ্থীসকলৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰে। অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে নৱ-নিযুক্ত প্ৰাৰ্থীসকলক সততা, নিষ্ঠা, দৃঢ় সংকল্প আৰু জনসেৱাৰ মানসিকতাৰে সুচাৰুৰূপে দায়িত্ব পালন কৰি এখন

বিকশিত, আত্ম-নিৰ্ভৰ আৰু সমৃদ্ধিশালী ভাৰত গঢ়াত অৰিহণা আগবঢ়াবলৈ আহ্বান জনায়। অনুষ্ঠানত গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি উপস্থিত থাকে।

নিযুক্তি পত্ৰ বিতৰণৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ২০২২ চনত আৰম্ভ হোৱা স্বচ্ছ আৰু নিকা নিযুক্তিৰ প্ৰক্ৰিয়া অটুট আছে আৰু বৰ্তমানলৈকে এই প্ৰক্ৰিয়াৰ অধীনত প্ৰায় ১২ লাখ প্ৰাৰ্থীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰা হৈছে। জনসেৱাই দেশসেৱা বুলি শ্ৰীসোণোৱালে মন্তব্য কৰে।

**-বাইট (সৰ্বানন্দ)-**

ooooo

শক্তিপীঠ কামাখ্যা দেৱালয়ত অহা ২২ জুনৰ পৰা অম্বুবাচী মেলা অনুষ্ঠিত হ'ব। দেৱালয়ৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে ২২ জুনৰ নিশা ৯ বাজি ৮ মিনিট ৪২ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হ'ব। প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰ দুৱাৰ ভক্তৰ বাবে বন্ধ কৰি দিয়া হ'ব। ২৩, ২৪ আৰু ২৫ জুনত কামাখ্যা মন্দিৰৰ দুৱাৰ সম্পূৰ্ণভাৱে বন্ধ থাকিব। ২৬ জুনৰ পুৱা অম্বুবাচীৰ নিবৃত্তিৰ পাছত মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰি দিয়া হ'ব। প্ৰতিবছৰৰ দৰে এইবাৰো অম্বুবাচীৰ সময়ত নীলাচলত দেশ-বিদেশৰ ভক্তৰ সমাগম হ'ব বুলি দেৱালয় কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে।

ooooo

এইচ পি ভি প্ৰতিষেধক প্ৰদান অভিযানৰ ক্ষেত্ৰত গোৱালপাৰা জিলা প্ৰশাসনে বিশেষ গুৰুত্ব সহকাৰে সজাগতা অভিযান আৰম্ভ কৰিছে। আজি গোৱালপাৰাৰ মৰিয়ম নগৰত এই উপলক্ষে এখন সজাগতা সভাৰ অনুষ্ঠিত কৰা হয়। সভাত জিলাৰ আয়ুক্ত প্ৰদীপ টিমুঙে এই প্ৰতিষেধকৰ উপকাৰিতা সন্দৰ্ভত ব্যাখ্যা কৰি জনসাধাৰণক ইয়াৰ বিৰুদ্ধে প্ৰচাৰিত কোনো উৰা বাতৰিত গুৰুত্ব নিদি নিজৰ ভৱিষ্যৎ সুৰক্ষিত কৰাৰ বাবে ১৪ৰ পৰা ১৬ বছৰ বয়সৰ কিশোৰীসকলক এই প্ৰতিষেধক গ্ৰহণ কৰিবলৈ আহ্বান জনায়। মহিলাৰ জৰায়ুৰ মুখৰ কৰ্কটৰোগ প্ৰতিৰোধ সন্দৰ্ভত শ্ৰীটিমুঙে এইদৰে কয়—

**বাইট (প্ৰদীপ টিমুং)**

ooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰৰ অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদনৰ পৰহিলৈ পৰৱৰ্তী শুনানি গ্ৰহণ কৰিব। ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠত অনুষ্ঠিত শুনানিত কালি জ্যেষ্ঠ অধিবক্তা প্ৰাণ বৰাই অভিযুক্ত শ্যামকানু মহন্তৰ জামিনৰ সপক্ষে যুক্তি প্ৰদৰ্শনৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰে। পৰহিলৈ হ'বলগীয়া শুনানিত অসম চৰকাৰৰ হৈ মহাধিবক্তা দেৱজিৎ শইকীয়া আৰু জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিশেষ লোক অধিবক্তা জীয়াউল কামাৰে অভিযুক্ত শ্যামকানু মহন্তৰ জামিনৰ বিপক্ষে যুক্তি দৰ্শাব। ইপিনে, উচ্চ ন্যায়ালয়ৰ পূৰ্বৰ নিৰ্দেশ অনুসৰি কালি আদালতত অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদনৰ ভিত্তিত কেছ ডায়েৰীৰ লগতে নিম্ন আদালতৰ নথি-পত্ৰ দাখিল কৰা হয়।

ooooo

উৎকোচ লোৱাৰ অপৰাধত গ্ৰেপ্তাৰ হোৱা অসম অসামৰিক সেৱাৰ বিষয়া লাচিত কুমাৰ দাসৰ বাসগৃহত দুৰ্নীতি নিৰীক্ষণ আৰু নিবাৰণ সঞ্চালকালয়ে যোৱা দুদিন ধৰি চলোৱা অভিযানত ১ কোটি ৬৬ লাখতকৈও অধিক নগদ ধন জব্দ কৰিছে। তদুপৰি অভিযুক্ত দাসে আহৰণ কৰা বিভিন্ন ঠাইৰ ভূ-সম্পত্তিৰ নথি-পত্ৰও জব্দ কৰা হৈছে।

ooooo

অসম আৰক্ষীয়ে বি এছ এফৰ সহযোগত কালি পুৱতি নিশা ১০ জন অনুপ্ৰৱেশকাৰীক চিনাক্ত কৰে আৰু ৰাজ্যত প্ৰৱেশ কৰাৰ পূৰ্বেই ওভতাই পঠিয়াই। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এই কথা

প্ৰকাশ কৰি কয়, যে অসমৰ ভূমি, সংস্কৃতি আৰু স্বাভিমান সুৰক্ষিত ৰখাৰ সমূহীয়া স্বাৰ্থত সতৰ্কতা সদায় অব্যাহত থাকিব। তেওঁ কয়, যে ৰাজ্যৰ সীমান্ত কেৱল ভৌগোলিক সীমাই নহয়, বৰং ই আমাৰ পৰিচয়, অধিকাৰ আৰু ভৱিষ্যতৰ সুৰক্ষা। সুৰক্ষিত অসম গঢ়াৰ এই অভিযানত কোনো ধৰণৰ আপোচ কৰা নহ'ব বুলি তেওঁ মন্তব্য কৰে।০০০০

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, ছিকিম আৰু পশ্চিমবঙ্গৰ হিমালয়ৰ পাদদেশৰ অঞ্চলবিশেষে ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বিভাগটোৱে লগতে পূব উত্তৰ প্ৰদেশ, পূব মধ্য প্ৰদেশ আৰু বিদৰ্ভ অঞ্চলত কাইলৈ পৰ্যন্ত প্ৰচণ্ড গ্ৰীষ্ম প্ৰবাহ অব্যাহত থাকিব পাৰে বুলি আশংকা প্ৰকাশ কৰি সতৰ্কতা জাৰি কৰিছে। বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা মতে, উত্তৰ-পশ্চিম, মধ্য আৰু পূব ভাৰতৰ ঠাইবিশেষে পৰৱৰ্তী ৬-৭ দিনলৈ গ্ৰীষ্ম প্ৰবাহৰ প্ৰকোপ অব্যাহত থাকিব পাৰে।

ইপিনে, শ্ৰীভূমি জিলা শিক্ষা বিভাগে কিছুদিন ধৰি হৈ থকা বৰষুণ আৰু সম্ভাব্য বান পৰিস্থিতিলৈ চাই জিলাখনৰ সকলো বিদ্যালয়ৰ বাবে সতৰ্কতামূলক নিৰ্দেশনা জাৰি কৰিছে। জিলাখনৰ বিদ্যালয় পৰিদৰ্শক তথা জিলা শিক্ষা বিষয়া নীলম জ্যোতি দাসে জাৰি কৰা এই নিৰ্দেশনাত সকলো বিদ্যালয়ৰ মুৰব্বী, শিক্ষক-শিক্ষয়িত্ৰী আৰু সংশ্লিষ্ট কৰ্মচাৰীসকলক প্ৰয়োজনীয় সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হৈছে। নিৰ্দেশনাত বিদ্যালয়ৰ গুৰুত্বপূৰ্ণ নথি-পত্ৰসমূহ বানৰ ক্ষতিৰ পৰা ৰক্ষা কৰিবলৈ সুৰক্ষিত আৰু ওখ ঠাইত সংৰক্ষণ কৰিবলৈ কোৱা হৈছে। ইয়াৰ উপৰি বিনামূলীয়া পাঠ্যপুথি, বিদ্যালয়  ইউনিফৰ্ম, প্ৰধানমন্ত্ৰী পৰিপুষ্টি আঁচনিৰ খাদ্য সামগ্ৰী, ৰন্ধন সামগ্ৰী আৰু অন্য চৰকাৰী সামগ্ৰীসমূহ নিৰাপদ স্থানলৈ স্থানান্তৰিত কৰিবলৈ কোৱা হৈছে।

নিৰ্দেশনাত বৰষুণ বা বান সদৃশ পৰিস্থিতিত শ্ৰেণীকোঠা, খোৱাপানীৰ স্থান, ৰান্ধনীঘৰ আৰু বিদ্যালয় চৌহদৰ বিপজ্জনক অংশসমূহত নজৰ ৰাখিবলৈ কোৱা হৈছে।

০০০০০

আৰক্ষী আৰু আছাম ৰাইফলছৰ এটা দলে কাছাৰৰ লক্ষিপুৰত বৰাক নদীৰ পৰা বুজন পৰিমাণৰ নিচাযুক্ত দ্ৰব্য জব্দ কৰিছে। সুৰক্ষা বাহিনীৰ দলটোৱে গোপন সূত্ৰৰ পম খেদি বৰাক নৈত অভিযান চলাই মণিপুৰৰ পৰা যন্ত্ৰচালিত নাৱেৰে অনা এই নিচাযুক্ত দ্ৰব্যখিনি জব্দ কৰে। জব্দ কৰা নিচাযুক্ত দ্ৰব্যৰ ভিতৰত ১০ হাজাৰ য়াবা টেবলেট আৰু ২১ গ্ৰাম হে'ৰইন আছে। এই নিচাযুক্ত দ্ৰব্যখিনিৰ বজাৰ মূল্য তিনি কোটি টকাৰো অধিক হ'ব বুলি অনুমান কৰা হৈছে। আৰক্ষীয়ে এই ঘটনা সংক্ৰান্তত মণিপুৰৰ ফেৰজৱাল জিলাৰ দুজন লোকক গ্ৰেপ্তাৰ কৰিছে।

০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ দৃষ্টিপাত  অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত **সমাজ জীৱনত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱ** সম্পৰ্কীয় এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত অংশগ্ৰহণ কৰিব বিষয় বিশেষজ্ঞ ইন্দ্ৰনীল তালুকদাৰ আৰু কাব্যনীল তালুকদাৰে। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টি ৰাণী ডেকাই। অনুষ্ঠানটিৰ প্ৰযোজনা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ।

০০০০০

যোৰহাট জিলাৰ ৩১ নম্বৰ মধ্য চাৰিগাঁও গাঁও পঞ্চায়তৰ সভাগৃহত বাহনা মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা যোজনা গোট আৰু সামূহিক সম্প্ৰসাৰণ কোষৰ উদ্যোগত বৈজ্ঞানিক ভিত্তিত মীন পালনৰ এদিনীয়া কৰ্মশালা অনুষ্ঠিত হয়। বাহনা মহাবিদ্যালয়ৰ অধ্যক্ষ সুস্মিত চলিহাই কৰ্মশালাখন উদ্বোধন কৰে। কৰ্মশালাত বৈজ্ঞানিক ভিত্তিত ক্ষুদ্ৰ মীন পালনৰ যোগেদি আত্মনিৰ্ভৰশীল গ্ৰাম্য অৰ্থনীতি প্ৰতিষ্ঠা সন্দৰ্ভত আলোচনা কৰা হয়। শতাধিক পুৰুষ-মহিলাই অংশগ্ৰহণ কৰা এই কৰ্মশালাত নগাঁও মীন মহাবিদ্যালয়ৰ জলসংবৰ্ধন বিভাগৰ সহকাৰী অধ্যাপক ড০ সংগীতপ্ৰাণ বৈশ্য আৰু ড০ অবিনাশ তালুকদাৰ  সমল ব্যক্তি হিচাপে উপস্থিত থাকে।

ooooo

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ২০২৫-২৬ পৰ্যটন বৰ্ষৰ অহা ২৯ মে’ত অন্ত পৰিব। ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই পৰহিলৈ উদ্যান বন্ধ কৰাৰ বাবে পূৰ্বে সিদ্ধান্ত গ্ৰহণ কৰিছিল যদিও পৰ্যটকৰ ভিৰৰ প্ৰতি লক্ষ্য ৰাখি এই সময়সীমা বৃদ্ধি কৰে। উল্লেখযোগ্য যে কাজিৰঙা হোটেল আৰু ৰিজৰ্ট সংস্থাই পৰ্যটন বৰ্ষৰ সময়সীমা বৃদ্ধিৰ বাবে দাবী জনোৱাৰ পৰিপ্ৰেক্ষিতত উদ্যান কৰ্তৃপক্ষই এই সিদ্ধান্ত লয়।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ পঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ’ব।

প্ৰতিযোগিতাত যোৱা নিশা হায়দৰাবাদত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুক ৫৫ ৰানত পৰাস্ত কৰে।

ooooo

গুৱাহাটীৰ ৰাধা গোবিন্দ পথত অৱস্থিত গুৱাহাটী দবা একাডেমীত আজিৰে পৰা ৯ বছৰ অনূৰ্ধ গুৱাহাটী মহানগৰ দবা চেম্পিয়নশ্বিপ আৰম্ভ হৈছে। তৃতীয় ৰাউণ্ডৰ শেষত ল’ৰা শাখাত তিনিটা শীৰ্ষ বাছনিৰ মৈত্ৰভ বৰুৱা, দ্বিতীয় ৰিয়ান নবিছ, শ্ৰীহান কুমাৰ হোৰ, ঋদ্ধিমান ভূঞা আৰু গৌৰৱ শৰ্মাই ৩ পইণ্টতকৈ সংগ্ৰহ কৰি শীৰ্ষস্থান দখল কৰিছে। ছোৱালী শাখাত আদ্বিকা গিৰিয়ে তৃতীয় ৰাউণ্ডৰ শেষত ৩ পইণ্টত সংগ্ৰহ কৰি একক শাখাত শীৰ্ষস্থান অধিকাৰ কৰিছে। আনহাতে ছানভি কাশ্যপ আৰু দৰথী পাটগিৰিয়ে আঢ়ৈ পইণ্টতকৈ লাভ কৰি যৌথভাৱে দ্বিতীয় স্থানত আছে। প্ৰতিযোগিতাত গুৱাহাটীৰ বিভিন্ন প্ৰান্তৰ মুঠ ৬১ জন খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। গুৱাহাটী মহানগৰ দবা সন্থাৰ সাধাৰণ সম্পাদক প্ৰণৱ কুমাৰ নাথে মুখ্য আৰ্বিটাৰ হিচাপে প্ৰতিযোগিতাখন পৰিচালনা কৰিছে।

ooooo

সমাপ্ত